# মনস্তাত্ত্বিক তত্ত্বৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাস ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

## (নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনসহ)

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ
ভাষা শাখাৰ অসমীয়া বিভাগৰ পিএইচ.ডি ডিগ্ৰী প্ৰাপ্তিৰ বাবে
প্ৰদত্ত গৱেষণা গ্ৰন্থৰ সংক্ষিপ্তসাৰ

**পৰিস্মিতা মিশ্ৰ**
অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়
২০২৩ চন

# মনস্তাত্ত্বিক তত্ত্বৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাস ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

## (নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনসহ)

## প্ৰদত্ত গৱেষণা গ্ৰন্থৰ সংক্ষিপ্তসাৰ

সাহিত্যৰ নিতৌ নতুন সম্পৰীক্ষণে কেতবোৰ ধাৰণাৰ উন্মেষ ঘটাইছে। ইয়াৰ পৰিপেক্ষিতত সাহিত্য সমালোচনাৰ ক্ষেত্ৰখনত নিতে নতুন তত্ত্ব বা মতবাদৰ সূত্ৰপাত হৈ আহিছে। ফলত পূৰ্বৰ পৰম্পৰাগত ধ্যান-ধাৰণাৰ বিপৰীতে সাহিত্যক নব্য দৃষ্টিৰে ন ন সম্ভাৱনাৰে চোৱাৰ অৱকাশ গঢ়ি উঠিছে। সাহিত্য সমালোচনাৰ লগত জড়িত এটি গুৰুত্বপূৰ্ণ তত্ত্ব হৈছে মনস্তাত্ত্বিক তত্ত্ব। আধুনিক মনস্তাত্ত্বিক ধাৰণাৰ উন্মেষণত ছিগমাণ্ড ফ্ৰয়েডৰ ভূমিকা অন্যতম। ৰোগীৰ লগত সহজ কথা-বতৰাৰ মাজেৰে ফ্ৰয়েডে ৰোগীৰ ৰোগৰ কাৰণ আৰু তেওঁলোকৰ মানসিক জগতৰ উমান ল'বলৈ যত্ন কৰিছিল। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই তেওঁ ব্যক্তি মনস্তত্ত্বৰ লগত জড়িত কেতবোৰ প্ৰসংগ উদঘাটন কৰিছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে মনস্তাত্ত্বিক তত্ত্বই চিকিৎসা শাস্ত্ৰৰ পৰিধি অতিক্ৰম কৰি সাহিত্য, কলা, দৰ্শন আদি অন্যান্য বিভাগতো প্ৰৱেশ লাভ কৰিলে।

অসমীয়া উপন্যাসত মনস্তত্ত্বক সাৰ্থকভাৱে ৰূপায়ণ ঘটোৱা এগৰাকী ঔপন্যাসিক হ'ল মণিকুন্তলা ভট্টাচাৰ্য (১৯৬৬)। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহ মনস্তাত্ত্বিক দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ। বিবেকৰ প্ৰবাহ আদি আধুনিকতাবাদী লক্ষণ কিছুমান তেওঁৰ উপন্যাসত বিদ্যমান। তেওঁ সমসাময়িক ঘটনা কিছুমানক উপন্যাসৰ বিষয়বস্তু হিচাপে গ্ৰহণ কৰিলেও ইয়াৰ জৰিয়তে চৰিত্ৰৰ মনস্তাত্ত্বিক দিশটোতহে গুৰুত্ব প্ৰদান কৰিছে। অৰ্থাৎ বাহ্যিক ঘটনা প্ৰবাহে চৰিত্ৰৰ মানসিক জগতত কিদৰে প্ৰভাৱ পেলাইছে তাৰ ওপৰত ঔপন্যাসিকাই পোহৰ পেলাইছে। এই দৃষ্টিকোণৰ ফালৰপৰাই গৱেষণাৰ বাবে "মনস্তাত্ত্বিক তত্ত্বৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসঃ এক বিশ্লেষণাত্মক অধ্যয়ন(নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনসহ)"— শীৰ্ষক বিষয়টো নিৰ্বাচন কৰা হৈছে। মনস্তত্ত্ব সম্পৰ্কত বিভিন্ন পণ্ডিত-দাৰ্শনিকে ভিন্ ভিন্ মতামত আগবঢ়াইছে। ইয়াৰ ভিতৰত ছিগমাণ্ড ফ্ৰয়েড, কাৰ্ল ইয়ুং আৰু জ্যাক লাঁকাৰ মনস্তাত্ত্বিক সিদ্ধান্তৰ আধাৰতহে আমাৰ গৱেষণা গ্ৰন্থখনৰ তাত্বিক ভেঁটি নিৰ্মাণ কৰা হৈছে। আমাৰ গৱেষণা গ্ৰন্থত ঔপন্যাসিকাৰ আটাইকেইখন উপন্যাস অধ্যয়নৰ বাবে নিৰ্বাচন কৰা হোৱা নাই। গৱেষণা গ্ৰন্থৰ পৰিসৰ তথা গৱেষণা বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি ঔপন্যাসিকাৰ দহখন উপন্যাস আলোচনাৰ বাবে নিৰ্দ্ধাৰণ কৰা হৈছে। এই দহখন উপন্যাসৰো আনবোৰ বিষয় তথা দৃষ্টিভংগীক আওকাণ কৰি অকল মনস্তাত্ত্বিক দৃষ্টিভংগীৰেহে বিচাৰ কৰি চোৱা হৈছে।

“মনস্তাত্ত্বিক তত্ত্বৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসঃ এক বিশ্লেষণাত্মক অধ্যয়ন(নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনসহ)”—শীৰ্ষক গৱেষণা বিষয়টো অৱতৰণিকা আৰু উপসংহাৰৰ লগতে মূল বিষয়বস্তুক ছয়টা অধ্যায়ত আলোচনা কৰা হৈছে।

অৱতৰণিকা অধ্যায়ত বিষয়ৰ পৰিচয় দাঙি ধৰা হৈছে। লগতে গৱেষণাৰ উদ্দেশ্য, গৱেষণাৰ গুৰুত্ব, গৱেষণাৰ তথ্য সংগ্ৰহ তথা গৱেষণা পদ্ধতি, গৱেষণাৰ পৰিসৰ, পূৰ্বকৃত অধ্যয়নৰ আভাস দিয়া হৈছে। গৱেষণাৰ বিষয়বস্তু বিশ্লেষণাত্মক পদ্ধতিৰে অধ্যয়ন কৰা হৈছে।

গৱেষণা গ্ৰন্থখনৰ প্ৰথম অধ্যায়ৰ আৰম্ভণিতে মনস্তত্ত্ব কি আৰু মনস্তত্ত্ব সম্পৰ্কত প্ৰধান দাৰ্শনিক পণ্ডিতসকলে আগবঢ়োৱা ধাৰণাৰ আভাস দাঙি ধৰা হৈছে। আমাৰ গৱেষণা গ্ৰন্থখনত প্ৰধানভাৱে ছিগমাণ্ড ফ্ৰয়েড, কাৰ্ল গুস্তাভ ইয়ুং আৰু জ্যাক লাঁকাৰ মনস্তাত্ত্বিক তত্ত্বক তাত্ত্বিক আলোচনাৰ আধাৰ হিচাপে গ্ৰহণ কৰা হৈছে। সেয়েহে প্ৰথম অধ্যায়ত এই তিনিগৰাকী দাৰ্শনিক পণ্ডিতে মনস্তত্ত্ব সম্পৰ্কে আগবঢ়োৱা প্ৰধান সূত্ৰসমূহৰ আলোচনা কৰা হৈছে। লগতে এওঁলোকৰ মনস্তাত্ত্বিক তত্ত্বৰ আধাৰত বিভিন্ন প্ৰসংগত সাহিত্যৰ মনস্তাত্ত্বিক গুৰুত্ব বিচাৰ কৰা হৈছে।

দ্বিতীয় অধ্যায়ত মণিকুন্তলা ভট্টাচাৰ্যৰ জীৱন আৰু সাহিত্যকৃতিৰ অৱলোকন কৰা হৈছে। অধ্যায়টোত মণিকুন্তলা ভট্টাচাৰ্যৰ জীৱনৰ এক চমু পৰিচয় দাঙি ধৰাৰ লগতে মণিকুন্তলা ভট্টাচাৰ্যৰ সাহিত্যকৃতিৰ সামগ্ৰিক আলোচনা আগবঢ়োৱা হৈছে।

তৃতীয় অধ্যায়ত মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ বিষয়বস্তুৰ মনস্তাত্ত্বিক তাৎপৰ্য বিচাৰ কৰি চোৱা হৈছে। ঔপন্যাসিকাৰ নিৰ্বাচিত উপন্যাসত মনস্তাত্ত্বিক তত্ত্বৰ লগত জড়িত শৈশৱৰ অভিজ্ঞতা, অৱচেতন প্ৰৱণতা, অৱদমন, সপোনৰ প্ৰসংগ, ইলেক্ট্ৰা কমপ্লেক্স বিষয় হিচাপে প্ৰকাশ ঘটিছে। মনস্তত্ত্বৰ সমাজতাত্ত্বিক দিশৰ আলোচনাত পৰিয়ালকেন্দ্ৰিক মতাদৰ্শ, পুৰুষতান্ত্ৰিক মতাদৰ্শ, অৰ্থনৈতিক কাৰকে ব্যক্তি মনস্তত্ত্বত পেলোৱা প্ৰভাৱ, প্ৰান্তীয়কৰণ, সমাজৰ শ্ৰেণী বৈষম্য, জাতি-ধৰ্মৰ প্ৰসংগ, অন্ধবিশ্বাস, সমাজ-সাংস্কৃতিক মতাদৰ্শগত কাৰকে গঢ় দিয়া উমৈহতীয়া ব্যক্তি মনস্তত্ত্ব, সামাজিক ঔচিত্যতা আদি বিষয়সমূহৰ লগত জড়িত মনস্তাত্ত্বিক ধ্যান-ধাৰণাৰ প্ৰকাশ ঘটিছে।

চতুৰ্থ অধ্যায়ত মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ চৰিত্ৰৰ মনস্তাত্ত্বিক অধ্যয়ন কৰা হৈছে। অধ্যায়টোত মনস্তাত্ত্বিক দৃষ্টিভংগীৰে চৰিত্ৰৰ একাকীত্ব, চৰিত্ৰৰ জৈৱিক তাড়না আৰু চৰিত্ৰৰ নৈতিকতাৰ মাজত হোৱা দ্বন্দ্ব, চৰিত্ৰৰ মৃত্যুস্পৃহা, চৰিত্ৰৰ জীৱনস্পৃহা, চৰিত্ৰৰ অস্বাভাৱিক আচৰণ, চৰিত্ৰৰ অতীত স্মৃতি আদি প্ৰসংগসমূহ বিশ্লেষণ কৰা হৈছে। বিভিন্ন প্ৰতিকূলতাৰ সন্মুখীন হৈও উপন্যাসৰ চৰিত্ৰসমূহৰ কিদৰে

মানসিক উত্তৰণ ঘটিছে সেয়াও এই অধ্যায়ত আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়ত মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসত ব্যৱহৃত আংগিক আৰু কলা-কৌশলৰ মনস্তাত্ত্বিক তাৎপৰ্য বিচাৰ কৰা হৈছে। অধ্যায়টোত মনস্তাত্ত্বিক দৃষ্টিভংগীৰে উপন্যাসৰ ভাষা, চেতনাস্ৰোত ৰীতি, উপকাহিনী, উপন্যাসত ব্যৱহৃত কবিতা, ৰূপাংগ আদি বিভিন্ন প্ৰসংগৰ অধ্যয়ন কৰা হৈছে। লগতে এই অধ্যায়ত উপন্যাসসমূহৰ কথকৰ মনস্তাত্ত্বিক দিশো অধ্যয়ন কৰা হৈছে।

ষষ্ঠ অধ্যায়ত লেখক আৰু পাঠকৰ প্ৰসংগৰে মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ অধ্যয়ন কৰা হৈছে। উপন্যাস জীৱনৰ বিচিত্ৰ আৰু বাস্তৱ অভিজ্ঞতাৰ ফচল হোৱা বাবে ইয়াত লেখকৰ মনস্তত্ত্বৰো প্ৰকাশ ঘটে। এই দৃষ্টিভংগীৰে মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত ঔপন্যাসিকাৰ মনস্তত্ত্বক বিচাৰ কৰি চোৱা হৈছে। লেখকৰ সমান্তৰালভাৱে উপন্যাসৰ পাঠকৰ মনস্তত্ত্বকো এই অধ্যায়ত আলোচনাৰ আওঁতালৈ অনা হৈছে। পাঠৰ লগত পাঠক নিবিড়ভাৱে সংলগ্ন হোৱাৰ ফলশ্ৰুতিত এইবোৰে পাঠকৰ মনস্তত্ত্বত প্ৰভাৱ বিস্তাৰ কৰাৰ বিষয়ে এই অধ্যায়ৰ অধ্যয়নে সামৰি লৈছে।

উপসংহাৰত আলোচ্য অধ্যায়সমূহৰ আভাস দিয়াৰ লগতে অধ্যয়নৰ পৰা প্ৰাপ্ত সিদ্ধান্তসমূহ দাঙি ধৰা হৈছে। লগতে ভৱিষ্যৎ অধ্যয়নৰ সম্ভাৱনাৰ দিশসমূহ আলোচনা কৰা হৈছে।

সাহিত্য হৈছে জনমানসৰ দাপোণ। সাহিত্যই জনমানসৰ চৈতন্যক তুলি ধৰে। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত অসমীয়া সাহিত্যত সততে আওকাণ কৰা সমকামিতা, যৌন জীৱন, বিবাহ বহিৰ্ভূত সম্পৰ্ক, যৌন কৰ্মী, এইড্‌ছ, ডাইনী, শিশু নিৰ্যাতন, নাৰী অৱদমন আদি প্ৰসংগ উত্থাপন কৰা হৈছে। আধুনিক সময়ৰ বিৱৰ্তন বা চিন্তাধাৰাৰ বিৱৰ্তনৰ লগে লগে এই প্ৰসংগসমূহ জনমানসতো স্থান পাইছে। এইধৰণৰ বিষয়সমূহৰ সৰহ আলোচনাৰ গুৰুত্বতাক নুই কৰিব নোৱাৰি। এনেবোৰ বিষয়ৰ আলোচনা সমাজৰ বাবেও প্ৰয়োজনীয়। কাৰণ আলোচনাইহে এইধৰণৰ বিষয়সমূহক ভৱিষ্যতে সমস্যা কৰি নাৰাখিব। এইবোৰ বিষয় আওকাণ কৰি গ'লে বা দমাই ৰাখিলে চিৰদিনলৈ সমস্যা হৈয়েই ৰৈ যাব। সমাজে প্ৰান্তীয়কৰণ কৰা, অৱমাননা কৰা, ৰূঢ়িবদ্ধ কৰা কথাবোৰ পুৰুষতান্ত্ৰিক সমাজত সততে আলোচনা নহয়। পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ অভিজ্ঞতা তথা প্ৰান্তীয়কৃত শ্ৰেণীৰ কণ্ঠ আমি মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত শুনিবলৈ পাইছোঁ। সেয়েহে উপন্যাসসমূহৰ আলোচনাৰ সামাজিক গুৰুত্ব এটা নিশ্চিতৰূপত থাকিব। কিয়নো প্ৰান্তীয়কৃত শ্ৰেণীৰ কণ্ঠবোৰৰ কথা , প্ৰান্তীয়কৃত শ্ৰেণীৰ সমস্যাৰ কথা আৰু প্ৰান্তীয়কৰণৰ সামগ্ৰিক প্ৰক্ৰিয়াটোৰ আলোচনা কৰি তাৰপৰা পৰিত্ৰাণ পোৱাৰ উপায় সন্ধানৰ ক্ষেত্ৰত এইধৰণৰ আলাপ-আলোচনাবোৰৰ ভূমিকা গুৰুত্বপূৰ্ণ। এই বিষয়বোৰৰ সৰহ আলোচনাই ঔপন্যাসিকাৰ উপন্যাসসমূহৰ বিদ্যায়তনিক আলোচনাৰ এটি বাট কাটিব। এনেদৰেই আমি গৱেষণা কৰ্মৰ বাবে গ্ৰহণ কৰা বিষয়টোৱে সামাজিক বিদ্যায়তনিক গুৰুত্ব বহন কৰে।

মনস্তাত্ত্বিক অধ্যয়নে সাহিত্য আৰু মনস্তত্ত্বৰ সম্পৰ্কৰ কথা অৱলোকন কৰাৰ সমান্তৰালভাৱে সাহিত্যৰ গুৰুত্ব বৃদ্ধি কৰিব। সাহিত্যৰ পঠন আৰু সাহিত্যৰ পৰিশ্ৰাৱনৰ সামগ্ৰিক প্ৰক্ৰিয়াটোত ই খুবেই জৰুৰী। প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মত চিন্তা-ধাৰাও যে উপন্যাসত আছে সেইবোৰৰ আলোচনাই উপন্যাসৰ যি তাৎপৰ্য বা গুৰুত্ব সেয়া সামাজিক জীৱনত প্ৰতিপন্ন কৰিব। গোলকীকৰণৰ সময়ত সাহিত্যৰ অধ্যয়নৰ প্ৰতি অহা কিছুমান প্ৰত্যাহ্বান লক্ষ্য কৰা যায়। এই প্ৰেক্ষাপটত এনেধৰণৰ বিদ্যায়তনিক আলোচনাই সাহিত্য যে প্ৰণালীবদ্ধ বিজ্ঞানসন্মত বা প্ৰায়োগিক জীৱনৰ বাবে প্ৰয়োজনীয় বিষয় সেয়া নতুনকৈ অনুধাৱন কৰাত হয়তো অৰিহণা যোগাব। এইবোৰে সাহিত্য অধ্যয়ন, সাহিত্যৰ পৰিশ্ৰাৱন, সাহিত্যৰ উৎপাদনৰ সামগ্ৰিক প্ৰক্ৰিয়াটোক প্ৰভাৱিত কৰিব। গতিকে এনেধৰণৰ বিদ্যায়তনিক আলোচনাৰ গুৰুত্বতাক আমি নুই কৰিব নোৱাৰোঁ। এনেধৰণৰ আলোচনাই হয়তো ঔপন্যাসিকাগৰাকীৰ উপন্যাসৰ আলোচনা তথা ঔপন্যাসিকাগৰাকীৰ সামগ্ৰিক আলোচনাৰ বিদ্যায়তনিক সংযোজন ঘটাব। যিয়ে ভৱিষ্যতে অন্যান্য গৱেষণাৰ পথ প্ৰশস্ত কৰিব।

বীজ শব্দ— মনস্তাত্ত্বিক তত্ত্ব, উপন্যাস, বিষয়বস্তু, চৰিত্ৰ, আংগিক আৰু কলা-কৌশল, লেখক, কথক, পাঠক ইত্যাদি।